**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-08-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
00000

১। সংসদত আজি ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়।

২। লোকসভাই আজি অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ত অনুমোদন জনাইছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ৰাছিয়াৰ বিশিষ্ট বিদ্যান আৰু চিন্তাবিদসকলৰ সৈতে মত বিনিময় কৰে।

৪। ছত্তিশগড়ত আজি ১০গৰাকী মহিলাকে ধৰি ২৯জন মাওবাদীয়ে আত্মসমৰ্পন কৰে।

আৰু

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কলকাতাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত ইষ্ট বেংগল, ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০

সংসদত আজি ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়। কালি লোকসভাত এই সংশোধনী বিধেয়কখন গৃহীৰ হোৱাৰ পাছত আজি ৰাজ্যসভাইও এই বিধেয়কখনত অনুমোদন জনায়। এই বিধেয়ক সন্দৰ্ভত আলোচনাত উত্তৰ দি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয় যে দেশত নতুন নতুন প্ৰতিষ্ঠান স্থাপন কৰিবলৈ আৰু শিক্ষাৰ্থীসকলক সুযোগ প্ৰদান কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চৰকাৰে ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানসমূহক ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানৰ মৰ্যাদা দিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ২০১৩ চনত আই আই এমত মাত্ৰ ৩ হাজাৰ ৫০০ শিক্ষাৰ্থী থকাৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত এই সংখ্যা ৯ হাজাৰ ৮০০ হৈছেগৈ। শ্ৰীপ্ৰধানে কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰক তেওঁলোকৰ শাসন কালত অসমক উপেক্ষা কৰা বুলি অভিযোগ কৰে। তেওঁ কয় যে মোদী চৰকাৰে সদায় সকলো খণ্ড তথা ৰাজ্যৰ সম উন্নয়নত গুৰুত্ব দি আহিছে।

ইয়াৰ পূৰ্বে সদনত এই বিধেয়কখন উত্থাপন কৰি শ্ৰীপ্ৰধানে কয় যে এই বিধেয়কখনে ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আইন ২০১৭ৰ সংশোধন কৰিব। তেওঁ কয় যে এই বিধেয়কখনৰ জৰিয়তে দেশৰ উত্তৰ-পূব খণ্ডৰ এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰস্থল অসমৰ গুৱাহাটীত এখন ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান স্থাপন কৰিব বিচৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে য়ে দেশত সম্প্ৰতি ২১খন ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান কাৰ্যকৰী হৈ আছে আৰু শিক্ষা খণ্ডত এই প্ৰতিষ্ঠানসমূহ এটা ব্ৰেণ্ড হিচাপে পৰিগণিত হৈছে। এই বিধেয়কখনৰ অধীনত আই আই এম গুৱাহাটীক ৫শ ৫৫ কোটি টকাৰ পুঁজি প্ৰদান কৰা হ'ব আৰু এই শিক্ষাবৰ্ষতেই এই প্ৰতিষ্ঠানৰ নামভৰ্তি আৰম্ভ হ'ব বুলি শ্ৰীপ্ৰধানে প্ৰকাশ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ যুৱ চামৰ বাবে কাম কৰি আছে বুলিও মন্তব্য কৰে।

০০০০

লোকসভাত আজি অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ গৃহীত হয়। এই বিধেয়কখনৰ জৰিয়তে ই-ক্ৰীড়া আৰু অনলাইন ছ'চিয়েল গেমসমূহত উৎসাহ যোগোৱাৰ বিপৰীতে ধনৰ বিনিময়ত প্ৰদান কৰা ক্ষতিকাৰক অনলাইন গেমিং সেৱা, বিজ্ঞাপন আৰু এনে খেলৰ সৈতে জড়িত বিত্তীয় লেন-দেন নিষিদ্ধ কৰিব খোজা হৈছে। বিধেয়কখনত সমন্বিত নীতিগত সহযোগিতা, ৰণনীতিৰ বিকাশ আৰু

খণ্ডটোৰ নিয়ন্ত্ৰণৰ বাবে অনলাইন গেমিং প্ৰাধিকৰণ নিযুক্তিৰ ব্যৱস্থা আছে। এই খেলসমূহৰ সৈতে জড়িত বিৰূপ প্ৰভাৱৰ পৰা বিশেষকৈ যুৱ-প্ৰজন্ম আৰু সহজেই বলি হ'ব পৰা লোকসকলক সুৰক্ষা প্ৰদান কৰাই বিধেয়কখনৰ মূল উদ্দেশ্য।

সংসদত এই বিধেয়কখন উত্থাপন কৰি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বিগত ১১ বছৰত ডিজিটেল প্ৰযুক্তি খণ্ডৰ যথেষ্ট প্ৰসাৰ ঘটিছে আৰু এই খণ্ডত ভালেমান ষ্টাৰ্টআপে কাম কৰি আছে। অনলাইন গেমিঙৰ সৈতে জড়িত বিত্তীয় লেনদেনে সমাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে এই গেমিং আসক্তিয়ে বিত্তীয় ঠগ প্ৰৱঞ্চনা বৃদ্ধি কৰিছে। তেওঁ কয় যে বহু পৰিয়ালে এনে অনলাইন গেমৰ বাবে বিত্তীয় সমস্যাৰো সন্মুখীন হৈছে। তদুপৰি, বহুবোৰ অনলাইন গেম ক'লা ধন বৈধকৰণ আৰু সন্ত্ৰাসবাদীক বিত্তীয় যোগান কাৰ্যতো জড়িত হৈ আছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ইয়াৰ পূৰ্বে অধ্যক্ষ ওম বিৰলাই অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়ক, ২০২৫ক এখন গুৰুত্বপূৰ্ণ বিধেয়ক বুলি অভিহিত কৰি কয় যে দেশত এনে অনলাইন গেমৰ বাবে আত্মহত্যা আৰু বিত্তীয় হানিৰ দৰে বহু ঘটনা সংঘটিত হৈছে। তেওঁ প্ৰতিবাদৰত সদস্যসকলক এই বিধেয়ক সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ৰাছিয়াৰ বিশিষ্ট বিদ্বান আৰু চিন্তাবিদসকলৰ সৈতে মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে এই বৈঠকত তেওঁলোকে ভাৰত-ৰাছিয়া সম্পৰ্ক, সমসাময়িক বিশ্ব ভূ-ৰাজনীতি আৰু এই সন্দৰ্ভত ভাৰতৰ দৃষ্টিভংগী বিষয়ত আলোচনা কৰে। ড০ জয়শংকৰে আজি বাণিজ্য, অৰ্থনীতি, বিজ্ঞান, প্ৰযুক্তি আৰু সাংস্কৃতিক সহযোগিতা সন্দৰ্ভত ভাৰত-ৰাছিয়া আন্তঃচৰকাৰ আয়োগৰ ২৬ সংখ্যক অধিবেশনত সহঅধ্যক্ষতা কৰিব। তেওঁ লগতে মস্কোত ভাৰত-ৰাছিয়া বাণিজ্য মঞ্চৰ বৈঠকতো ভাষণ দিব। উল্লেখযোগ্য যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকী তিনিদিনীয়া ৰাছিয়া ভ্ৰমণসূচীৰে কালি সন্ধিয়া মস্কোত উপস্থিত হয়। এই ভ্ৰমণকালত তেওঁ ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গে লেভৰভক সাক্ষাৎ কৰি দুয়োখন দেশৰ দ্বিপাক্ষিক সহযোগিতা আৰু আঞ্চলিক তথা গোলকীয় বিষয়সমূহৰ পৰ্যালোচনা কৰিব। ভাৰত আৰু ৰাছিয়াৰ দীৰ্ঘদিনীয়া সম্পৰ্ক তথা বিশেষ কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাৰ লক্ষ্যৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ৰাছিয়া ভ্ৰমণ কৰিছে।

০০০০

লোকসভাত আজি সংবিধানৰ ১৩০ সংখ্যক সংশোধনী বিধেয়ক কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰ সংশোধনী বিধেয়ক ২০২৫ তথা জম্মু আৰু কাশ্মীৰ পুনৰগঠন সংশোধনী বিধেয়ক ২০২৫ উত্থাপন কৰা হয়। বিৰোধী পক্ষৰ সদস্যসকলে সদনত বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত প্ৰতিবাদ অব্যাহত ৰখাৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বিধেয়ককেইখন উত্থাপন কৰে। কংগ্ৰেছ, এ আই এম আই এম আৰু সমাজবাদী পাৰ্টীকৈ ধৰি বিৰোধী পক্ষই এই বিধেয়ককেইখনক অসাংবিধানিক আৰু যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বিৰোধী বুলি অভিহিত কৰি ইয়াৰ বিৰোধিতা কৰে। এ আই এম আই এমৰ আছাদউদ্দিন ওৱেছিয়ে কয় যে এই বিধেয়ককেইখনে ক্ষমতাৰ পৃথকীকৰণৰ সিদ্ধান্ত আৰু চৰকাৰ নিৰ্বাচনৰ ক্ষেত্ৰত জনসাধাৰণৰ অধিকাৰক উলংঘন কৰিছে। তেওঁ কয় যে এই বিধেয়ককেইখনে সংসদীয় গণতন্ত্ৰৰ শক্তি হ্ৰাস কৰাৰ লগতে এই সংশোধনে মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীসকলক কাৰ্যকৰী সংস্থাসমূহৰ হাতত এৰি দিব। এই সংশোধনে সংবিধানৰ ২১ নম্বৰ অনুচ্ছেদ উলংঘন কৰিব বুলি উল্লেখ কৰি ওৱেছিয়ে চৰকাৰক এই বিধেয়ক তিনিখন উঠাই ল'বলৈ আহ্বান জনায়। কংগ্ৰেছৰ সাংসদ কে চি বেণুগোপালে এই বিধেয়ককেইখনক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বিৰোধী বুলি উল্লেখ কৰি তেওঁ কয় যে যে বিৰোধী পক্ষই শাসন কৰা ৰাজ্যকেইখনক লক্ষ্য কৰিয়েই এই

বিধেয়ককেইখন অনা হৈছে। সমাজবাদী পাৰ্টীৰ সাংসদ ধৰ্মেন্দ্ৰ যাদৱেও এই বিধেয়ককেইখনৰ বিৰোধিতা কৰি ইয়াক অসাংবিধানিক আৰু মৌলিক অধিকাৰৰ পৰিপন্থী বুলি উল্লেখ কৰে। পাছত সদনে এই বিধেয়ক কেইখনৰ অধিক পৰ্যালোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰে।

০০০০

ছত্তিশগড়ত আজি ১০গৰাকী মহিলাকে ধৰি ২৯জন মাওবাদীয়ে আত্মসমৰ্পন কৰে। আত্মসমৰ্পনকাৰীসকলৰ ভিতৰত ২১জন মাওবাদীয়ে দান্তেৱাড়া জিলাত আৰু আঠজনে নাৰায়ণপুৰ জিলাত আৰক্ষী আৰু কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ জ্যেষ্ঠ বিষয়াৰ আগত তেওঁলোকৰ অস্ত্ৰসমূহ সমৰ্পন কৰে। ৰাজ্য চৰকাৰৰ পুনৰসংস্থাপন নীতিৰ অধীনত প্ৰতিজন আত্মসমৰ্পনকাৰীক ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তেওঁলোকক লগতে দক্ষতা বিকাশ আৰু কৃষিভূমিত কাম কৰিব পৰাকৈ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

০০০০০

এন ডি এৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণণে আজি সংসদ ভৱনত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজুৰ লগতে এল জে পি আৰৰ নেতা চিৰাগ পাছোৱান, জনতা দল ইউনাইটেডৰ ৰাজীৱ ৰঞ্জন সিং আৰু এন চি পিৰ প্ৰফুল পেটেলকে ধৰি এন ডি এ মিত্ৰজোটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

মনোনয়ন পত্ৰ দাখিল কৰাৰ পূৰ্বে শ্ৰীৰাধাকৃষ্ণনে সংসদ ভৱনৰ প্ৰেৰণা স্থলত উপস্থিত হৈ দেশৰ প্ৰসিদ্ধ নেতা আৰু স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰে। পোনপ্ৰথমে তেওঁ জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ ওচৰত মূৰ দোঁৱাই শ্ৰদ্ধা নিবেদন কৰে।

ইপিনে উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে বিৰোধীৰ INDI মিত্ৰজোঁটে অন্ধ্ৰ প্ৰদেশৰ বি সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থীৰূপে মনোনীত কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ নাম কালি কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ঘোষণা কৰে। শ্ৰীৰেড্ডীয়ে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

০০০০

আফগানিস্তানৰ হেৰাট প্ৰদেশত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত বৰ্তমানলৈ ৭৯জন লোকৰ মৃত্যু হৈছে। এখন যাত্ৰীবাহী বাছ, মটৰ চাইকেল আৰু মিনি ট্ৰাকৰ মাজত হোৱা সংঘৰ্ষত শিশু, মহিলা আৰু ইৰাণৰ পৰা উভতি অহা বহু আফগান শৰণাৰ্থী দুৰ্ঘটনাত পতিত হৈছিল। দুৰ্ঘটনাৰ পাছতেই বাছখনত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ ফলত বহু লোকৰ মৃতদেহ এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই। মৃতকৰ সংখ্যা বৃদ্ধি হোৱাৰ আশংকা কৰা হৈছে।

০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি কলকাতাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত ইষ্ট বেংগল, ডায়মণ্ড হাৰ্বাৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ইপিনে, যোৱাবাৰৰ ছেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে কালি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাস্ত কৰে। নৰ্থ ইষ্টৰ হৈ ৰিদিম ট্লাঙে বিজয়সূচক গ'লটো দিয়ে।

০০০০

সমাপ্ত